# CULTURAL RALLY ON THE OCCASION OF YOUTH FESTIVAL OF SARIGHAT COLLEGE ON 13TH FEBRUARY, 2023

Guwahati, Wednesday, February 15, 2023
দৈনিক জনমভূমি

# সাংস্কৃতিক ঐতিহ্যৰে জিলিকিল শৰাইঘাটৰ বাকৰি



চাংসাৰি, ১৪ ফেব্ৰুৱাৰী : চাংসাৰিস্থিত উচ্চ শিক্ষাৰ অনুষ্ঠান শৰাইঘাট মহাবিদ্যালয়ত যোৱা ১৩ ফেব্ৰুৱাৰীত যুৱ মহোৎসৱ উপলক্ষে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে যোগদান কৰা শোভাযাত্ৰাত অতি দৃষ্টিনন্দনভাৱে উজলি উঠিছিল হিন্দু-মুছলমানৰ সম্প্ৰীতি, অসমীয়া বিয়াৰ বিভিন্ন পৰম্পৰা, উত্তৰ-পূব ভাৰতৰ বাঁহ শিল্প, কেতবোৰ সামাজিক সমস্যা যেনে বাল্য বিবাহ, শিশু শ্ৰমিক, নাৰী নিৰ্যাতন, যৌতুক প্ৰথা, বিলুপ্তপ্ৰায় ওজাপালি, মহোহোকে আদি কৰি দিহানাম, জিকিৰ, ঝুমুৰ আদি। ভিন্নৰঙী নান্দনিক ৰূপত শোভাবৰ্ধন কৰা শোভাযাত্ৰাই বৃহত্তৰ চাংসাৰি অঞ্চলৰ সকলো মানুহকে মোহিত কৰে। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয়স্থান লাভ কৰে ক্ৰমে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগ, শিক্ষা বিভাগ আৰু অসমীয়া বিভাগে। আনহাতে, অৰ্থনীতি আৰু ভূগোল বিভাগে যুটীয়াভাৱে চতুৰ্থ স্থান লাভ কৰে।



**শৰাইঘাট মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ**

# শোভাযাত্ৰাত জিলিকিল কৃষ্টি-সংস্কৃতি

**নিয়মীয়া বাৰ্তা, চাংসাৰি, ১৪ ফেব্ৰুৱাৰী :** চাংসাৰিস্থিত উচ্চ শিক্ষাৰ অনুষ্ঠান শৰাইঘাট মহাবিদ্যালয়ত কালি যুৱ মহোৎসৱ উপলক্ষে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা অনুষ্ঠিত হয়। উল্লেখ্য যে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে যোগদান কৰা শোভাযাত্ৰাত অতি দৃষ্টিনন্দনভাৱে উজলি উঠিছিল হিন্দু-মুছলমানৰ সম্প্ৰীতি, অসমীয়া বিয়াৰ বিভিন্ন পৰম্পৰা, উত্তৰ-পূব ভাৰতৰ বাঁহশিল্প. কেতবোৰ সামাজিক সমস্যা যেনে— বাল্য বিবাহ, শিশু শ্ৰমিক, নাৰী নিৰ্যাতন, যৌতুক প্ৰথা, বিলুপ্তপ্ৰায় ওজাপালি, মহোহো দিহানাম, জিকিৰ, ঝুমুৰ আদি। শোভাযাত্ৰাই বৃহত্তৰ চাংসাৰি অঞ্চলৰ সকলো লোককে মোহিত কৰে। প্ৰতিযোগিতাত প্ৰথম, ২য় আৰু ৩য় স্থান লাভ কৰে ক্ৰমে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগ, শিক্ষা বিভাগ আৰু অসমীয়া বিভাগে। অৰ্থনীতি আৰু ভূগোল বিভাগে যুটীয়াভাৱে চতুৰ্থ স্থান লাভ কৰে।